**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। ৰাজ্যৰ বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তেজপুৰত মন্তব্য।
২। দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ব্যাপক প্ৰস্তুতি।
৩। কৃষকৰ উৎপাদিত ১৪ বিধ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰাত কেন্দ্ৰীয় চৰকাৰক ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ ধন্যবাদ জ্ঞাপন।
৪। মানস ৰাষ্ট্ৰীয় উদ্যানত আজিৰেপৰা জীপ চাফাৰী বন্ধ।
৫। ৰাজ্যজুৰি বিষ্ণুৰাভা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন। তেজপুৰৰ চৰকাৰী কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ। আৰু
৬। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ছুপাৰ এইট পৰ্যায়ৰ খেলত ভাৰত আফগানিস্তানৰ মুখামুখি।

oooooooo

ৰাজ্যৰ বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত আজি মন্তব্য কৰিছে। তেওঁ কয় যে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ক্ষিপ্ৰতাৰে কাম কৰি আছে। নেৰানেপেৰা বৰষুণৰ বাবে ৰাজ্যৰ কেইবাখনো নৈ-উপনৈৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰিলেও বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰষুণ শাম কাটিলে পৰিস্থিতি উন্নত হ'ব বুলিও তেওঁ মন্তব্য কৰে।

ৰাজ্যত শেহতীয়াকৈ ১৯ খন জিলা বানৰ কবলত পৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এই পৰ্যন্ত ৪৮টা ৰাজহ চক্ৰৰ ৯৭৯ খন গাঁৱৰ প্ৰায় ৩ লাখ লোক বানৰ কবলত পৰিছে। প্ৰশাসনে স্থাপন কৰা ১০৫ টা আশ্ৰয় শিবিৰত ১২ হাজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। প্ৰবল বৃষ্টিপাতৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ পানী বৃদ্ধি পোৱাত ৰাজ্যৰ ন-ন অঞ্চল প্লাৱিত হৈছে। ইপিনে, নগৰ অঞ্চলত হোৱা বানত কোকৰাঝাৰ, কামৰূপ, কাছাৰ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত এহেজাৰতকৈ অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে এই জিলাকেইখনত স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ২৩৫ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইপিনে, বানৰ ফলত বিভিন্ন অঞ্চলত পথ যোগাযোগ আৰু আন্তঃগাঁথনিৰো ক্ষতি হৈছে। নামনি অসমৰ ধুবুৰী, তামুলপুৰ, দৰং আদি জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। গোৱালপাৰা জিলাৰ দুধনৈ আৰু বালিজানা ৰাজহ চক্ৰ এলেকাত বান পৰিস্থিতি কিছু উন্নত হোৱাৰ বিপৰীতে লক্ষীপুৰ আৰু মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ প্লাৱিত হৈছে। জিলাখনত ৯৮ খন ৰাজহ গাঁও জলমগ্ন অৱস্থাত আছে। প্লাৱিত গাঁৱৰ সংখ্যা লক্ষীপুৰ ৰাজহ চক্ৰত ৪৫ খন আৰু মাটিয়া ৰাজহ চক্ৰত ৪৩ খনলৈ বৃদ্ধি পাইছে। বৰপেটা জিলাৰ পাকা বেতবাৰী সমষ্টিৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে। পূৰ্বে প্ৰবল বৰষুণৰ বাবে ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি হৈছে যদিও কালি জিলাখনৰ কালদিয়া নৈৰ বাঢ়নি পানীয়ে বান পৰিস্থিতি জটিল কৰি তুলিছে। কালদিয়া নৈৰ বাঢ়নি পানীয়ে সৰুক্ষেত্ৰীৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। আজি বাঢ়নি পানী বৃদ্ধি পোৱাত আন কেইবাখনো গাঁও জলমগ্ন হৈছে। কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বজালীত বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদান আৰু প্ৰয়োজনীয় সহায় কৰাৰ বাবে জিলা আয়ুক্তক মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত কবিকাৰা গাঁৱত মথাউৰি ছিগি বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। শাকতোলা নৈৰ বাঢ়নি পানীয়ে মথাউৰি ছিগি পেলোৱাত সেই অংশৰে পানী সোমাই খেতি-পথাৰ, বাট-পথ বুৰাই পেলাইছে। অৱশ্যে প্ৰশাসনে তৎপৰতাৰে মথাউৰি ছিগা অংশৰ মেৰামতিৰ কাম আৰম্ভ কৰিছে।

00000000

**নিজৰ লগতে সমাজৰ বাবে যোগ-** এই বিষয় বস্তুৰে এইবাৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস  পালন কৰিবলৈ লোৱা হৈছে। যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত চলোৱা হৈছে। ব্যক্তিৰ, শাৰীৰিক, মানসিক সুস্থতা আৰু আধ্যাত্মিক বিকাশৰ লক্ষ্যৰে উদযাপন কৰা যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোগ অনুশীলনৰ শিৱিৰ মুকলি কৰাৰ লগতে বিভিন্ন স্থানত যোগৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। পৰিৱৰ্তিত জীৱনশৈলী, মানসিক চাপ দূৰীকৰণ আৰু শৰীৰটো সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত যোগৰ ভূমিকা অপৰিসীম। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ  বাবী ভৰালী বৰুৱাই এইদৰে কয় –

**-ভইচ-**

000000

বিশ্ব যোগ দিৱসৰ প্ৰাকক্ষণত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত চলন্তিকা অনুষ্ঠানত ‘সুন্দৰ জীৱনৰ বাবে যোগ’ শীৰ্ষক দিগন্ত শৰ্মাৰ সৈতে হোৱা এটা আলোচনা আগবঢ়াব। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱা চাৰে ৬ বজাত তেজপুৰৰ চাৰ্চ্ ফিল্ডত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে তেজপুৰ জিলা পুথিভঁৰালৰ সন্মুখত স্থাপন কৰা স্বাধীনতা সেনানী বাবু ছবিলাল উপাধ্যায়ৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে মুকলি কৰিব।

0000000

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কৃষকৰ উৎপাদিত ১৪ বিধ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰাত ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশে ধন্যবাদ জ্ঞাপন কৰিছে। বিজেপিৰ অসম প্ৰদেশৰ মুখপাত্ৰ সুভাষ দত্তই বিবৃতিযোগে কয় যে শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ দ্বাৰা কৃষকসকল উপকৃত হ’ব। তেওঁ লগতে কয় যে এই আঁচনিৰ সহায় লাভ কৰি কৃষকসকলে অৰ্থনৈতিকভাৱে লাভান্বিত হোৱাৰ লগতে দেশৰ ঘৰুৱা উৎপাদন বৃদ্ধিত অৰিহণা আগবঢ়াবলৈ সমৰ্থ হ’ব। দেশৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাত এই আঁচনিৰ প্ৰত্যক্ষ অৰিহণা আছে বুলি তেওঁ উল্লেখ কৰে। ধানৰ ন্যূনতম সমৰ্থন মূল্য ১১৭ টকা বৃদ্ধিৰ ফলত ৰাজ্যৰ কৃষকসকল বিশেষভাৱে উপকৃত হ’ব বুলি তেওঁ প্ৰকাশ কৰে।

0000000

মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ বাবে আজিৰেপৰা ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী বন্ধ কৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী সংমগুলৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা মথনগুৰিলৈ পৰ্যটকৰ বাবে জীপ চাফাৰীৰ সময়সীমা ২০ জুনলৈ খোলা ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কিন্তু শেহতীয়া বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজিৰেপৰা ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী বন্ধ কৰা হয়। উল্লেখযোগ্য যে ২০২৩-২৪ পৰ্যটন বৰ্ষত মানস ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ১ কোটি ৩০ লাখ টকা ৰাজহ সংগ্ৰহ কৰিছে।

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ মঙলদৈত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য অহা বছৰৰ ভিতৰত শেষ হ’ব বুলি আশা প্ৰকাশ কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। মন্ত্ৰী শ্ৰী মল্লবৰুৱাই কয় যে সকলোধৰণৰ আধুনিক সা-

সুবিধাৰে পৰিপূৰ্ণ ২৫০ বিঘা ভূমি সামৰি নিৰ্মাণ কৰা এই বিশ্ববিদ্যালয়খনে ৰাজ্যৰ যুৱ-প্ৰজন্মক পাৰদৰ্শী কৰি তুলিব। ইপিনে, মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্মীয়মান মঙলদৈ বাইপাছৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০০০

আজি বিষ্ণু ৰাভা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত ২০২৪ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত তেওঁ অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে যুৱ প্ৰজন্মক বিষ্ণু ৰাভাৰ আদৰ্শেৰে পৰিচালিত হ'বলৈ আহ্বান জনাইছে।

এই কাৰ্যসূচীতে বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰা হৈছে। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হৈছে। ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হৈছে। আনহাতে, ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাও প্ৰদান কৰা হৈছে। এই অনুষ্ঠানত বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ তথা সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে ঢেকিয়াজুলিৰ বিধায়ক তথা মন্ত্ৰী অশোক সিংহল, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু, ৰঙাপাৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতী আৰু ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাও উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৬ সংখ্যক স্মৃতি দিৱসত তেজপুৰৰ বিধায়ক তথা শিল্পীগৰাকীৰ পুত্ৰ পৃথ্বীৰাজ ৰাভাই কেতেকীবাৰীত থকা শিল্পীজনাৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰও শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে।

আনহাতে, সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত নলবাৰীতো দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে ৰাভা দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিষ্ণু ৰাভাৰ গীত, কবিতা, আবৃতি প্ৰতিযোগিতাৰ লগতে আলোচনাচক্ৰও অনুষ্ঠিত হয়।

ৰাজ্যৰ আন ঠাইৰ লগতে আজি গোৱালপাৰা জিলাতো কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। একেদৰে নিখিল ৰাভা ছাত্ৰ সন্থাই কৃষ্ণাইৰ শালপাৰাত কেন্দ্ৰীয়ভাৱে আৰু জিলা প্ৰশাসনে নটসূৰ্য ফণী শৰ্মা ভৱনত ৰাভা দিৱস পালন কৰিছে।

তিনিচুকীয়াতো জিলা আয়ুক্তৰ কাৰ্যালয়ত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। সাংস্কৃতিক মহাসংগ্ৰাম ২০২৪ত তিনিচুকীয়া জিলাৰ স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলে বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰে। অনুষ্ঠানত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, জিলা আয়ুক্ত স্বপ্নীল পাল, জিলা উন্নয়ন আয়ুক্ত আদিকে ধৰি বহু লোক উপস্থিত থাকে।

মাজুলী জিলাতো আজি বহু ঠাইত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীৰে ৰাভা দিৱসৰ আয়োজন কৰিছে। নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজ আৰু তৰুণ নাট্য ক্লাৱৰ উদ্যোগত বিষ্ণৰাভা দিৱস উদযাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতাও অনুষ্ঠিত হয়। ইফালে, জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চ অসমৰ মাজুলী জিলা জনগোষ্ঠীয় সাংস্কৃতিক ঐক্যমঞ্চৰ উদ্যোগত কমাৰগাঁও ৰূপালী যুৱক সংঘ আৰু শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে ৰাভা দিৱস উদযাপন কৰা হয়।

গোলাঘাট জিলাৰ ধনশিৰি মহকুমা সাংবাদিক সংস্থাৰ উদ্যোগত সৰুপথাৰৰ ৰংঘৰ ৰাজহুৱা ভৱনত আজি সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ সোঁৱৰণত ৰাভা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত

কবিতা আবৃতি, চিত্ৰাংকন, ৰাভা সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ক্ৰীড়া, কৃষি আৰু সাংস্কৃতিক ক্ষেত্ৰত অৱদান আগবঢ়োৱা জিলাখনৰ কেইবাজনো লোকক সম্বৰ্দ্ধনা জনোৱা হয়।

0000000

কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি দিছপুৰত কাৰ্বি শান্তি চুক্তি স্বাক্ষৰকাৰী প্ৰতিনিধিৰ লগতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত চুক্তি অনুসৰি কাৰ্বি আংলঙৰ বাহিৰৰ কাৰ্বি জনগোষ্ঠীয় গাঁও আৰু লোকসকলৰ কল্যাণৰ বাবে এখন পৰিষদ গঠন সন্দৰ্ভত আলোচনা কৰা হয়। লগতে বিষয়টো শীঘ্ৰে নিষ্পত্তি কৰাৰ বাবে ৰূপৰেখা নিৰূপণ কৰা হয়। আজিৰ এই বৈঠকত সাংসদ অমৰসিং টিছ', অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনসহ কাৰ্বি শান্তি চুক্তি স্বাক্ষৰকাৰী প্ৰতিনিধিসকল উপস্থিত থাকে।

0000000

অসম লোকসেৱা আয়োগৰ ধনৰ বিনিময়ত চাকৰি লোৱাৰ গোচৰত আজি বিশেষ তদন্তকাৰী গোটে চাৰিজন অভিযুক্তৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত এখন অভিযোগনামা দাখিল কৰে। তদন্তকাৰী গোটে নিলম্বিত অতিৰিক্ত আৰক্ষী আয়ুক্ত সুকন্যা দাস, কৰ অধীক্ষক ৰাহিদা বেগম, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন প্ৰধান পৰীক্ষা নিয়ন্ত্ৰক এ নন্দবাবু সিন্‌হা আৰু সহকাৰী নিয়োগ বিষয়া ৰাকেশ দাসৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে।

00000000000

ৰাজ্যৰ নৱনিযুক্ত পৰিবহন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি দিছপুৰত বিভাগটোৰ শীৰ্ষ বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত পৰিবহন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ পৰা পৰিবহন মন্ত্ৰী শ্ৰীমহন্তই বিভাগীয় কাম-কাজৰ সবিশেষ বুজ লোৱাৰ লগতে গুৰুত্বপূৰ্ণ বিভাগীয় আঁচনিসমূহৰ বিতং খতিয়ান লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে পৰিবহন বিভাগৰ শাখাসমূহৰ আভ্যন্তৰীণ গাঁথনি, ৰাজহ সংগ্ৰহ প্ৰক্ৰিয়া তথা নিয়মীয়া কাম-কাজ আদিৰ বুজ লয় আৰু কৰ সংগ্ৰহৰ ক্ষেত্ৰত জনসাধাৰণ যাতে বিশেষ অসুবিধাত নপৰে, সেই বিষয়ে যথাসম্ভৱ নজৰ ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। যাত্ৰীৰ নিৰাপত্তাৰ দিশটোক অগ্ৰাধিকাৰ দিয়াৰ লগতে পথ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ দৃষ্টি দিয়াৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে পোষকতা কৰে। আজিৰ এই বৈঠকত পৰিবহন বিভাগৰ সচিব আদিল খান আৰু পৰিবহন আয়ুক্ত অংকুৰ জৈনকে ধৰি বিভাগটোৰ অন্তৰ্গত পৰিবহন আয়ুক্তালয়, আভ্যন্তৰীণ জল পৰিবহন সঞ্চালকালয় আদিৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

00000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি বাৰবাডোছৰ ব্ৰিছটাউনত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ খেলত ভাৰত আফগানিস্তানৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে, ভাৰতীয় সময় অনুসৰি আজি পুৱা ছেইণ্ট লুছিয়াত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ খেলত ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক ৮ উইকেটত পৰাস্ত কৰে। টছত জিকি ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অ'ভাৰত ৪টা উইকেটৰ বিনিময়ত ১৮০ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ ফিল' ছল্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

00000000

**সমাপ্ত**